بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ نَحۡمَدُهٗ وَنُصَلِّيۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡد

# খোতবা জু’মা

**ছৈয়েদনা হজৰত আকদাছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) ২০১৭ চনৰ ১৩জানুৱাৰী লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

একমাত্ৰ ইছলামৰ শিক্ষাকহে পৃথিৱীক শান্তিৰ আবেষ্টনীত আৰু আল্লাহ তায়লাৰ ফালে লৈ আনোতা বনাব লাগে ।এটা জগতবাসীয়ে উপলব্দি কৰিব যে ইয়াৰ বাহিৰে (ইছলামী শিক্ষাৰ) আমাৰ কোনো উপায় নাই । গতিকে ইছলামী শিক্ষাৰ ওপৰত চিন্তা কৰক আৰু আমল কৰক ।

তাছাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে; কিছুমান লোকে ভাৱে যে ধৰ্মই সিহঁতৰ স্বাধীনতা হৰণ কৰি তাৰ ওপৰত অধিনিয়ম জাৰি কৰিছে। কিন্তু আল্লাহ তায়লা কোৰ’আন কৰিমত উল্লেখ কৰিছে যে; وَمَا جَعَلَ عَلَيۡكُمۡ فِي الدِّيۡنِ مِنۡ حَرَجٍ অৰ্থাৎঃ- ধৰ্মীয় শিক্ষাৰ মাজত কোনো ধৰণৰ প্ৰতিবন্ধকতা তোমালোকৰ ওপৰত জাপি দিয়া হোৱা নাই বৰং চৰিয়তৰ উদ্দেশ্য হ’ল মানুহৰ গধুৰ বোজা কম কৰি দিয়া আৰু সকলো ধৰণৰ বিপদ আপদ, সমস্যা আদিৰ পৰা ৰক্ষা কৰা। গতিকে আল্লাহ তায়লাৰ উক্ত বাক্যৰ পৰা স্পষ্ট ভাৱে ওলাই পৰে যে ইছলাম ধৰ্ম যি তোমালোকৰ বাবে নাযিল কৰা হৈছে, তাত এনেকুৱা ধৰণৰ কোনো আদেশ সন্নিবিষ্ট কৰা হোৱা নাই যিয়ে তোমালোকক সমস্যাত পেলায়। একেবাৰে সৰুৰ পৰা ডাঙৰলৈ যিমানবোৰ নিৰ্দেশ আছে, প্ৰত্যেকটো আদেশেই ৰহমত আৰু বৰকতৰ বাট। গতিকে মানুহে আল্লাহ তায়লাৰ বাক্য ভূল বুলি ভৰাটোয়ে ভূল। যদি আমি আল্লাহ তায়লাৰ সৃষ্টি জীৱ হৈ তাৰ আদেশ অনুসৰি নচলো তেন্তে নিজৰে ক্ষতি সাধন কৰা হ’ব। যদি মানুহে শুদ্ধ বিবেকৰ দ্বাৰা পৰিচালিত নহয় তেন্তে চয়তান যিয়ে দৃঢ় প্ৰতিজ্ঞ যে মানুহক পথভ্ৰষ্ট কৰিব সেই চয়তানে মানুহক ধংসৰ কৰাল গ্ৰাসত নিক্ষেপ কৰিব। গতিকে চয়তানৰ এই আক্ৰমনৰ পৰা ৰক্ষা পৰিবলৈ আল্লাহ তায়লাৰ আদেশ পালন কৰা অত্যাৱশ্যকীয় কিছুমান কথা আছে সেইবোৰ অতি সাধাৰণ বুলি অনুমান হয় কিন্তু সময়ৰ গতিত সেয়া অতি নগণ্য বুলি ভৰাৰ কাৰণে তাৰ ফলাফল অতি ভয়ানক হৈ পৰে। গতিকে এজন মোমিন ব্যক্তিয়ে কোনো এটা আদেশ সৰু বুলি ঠাৰৰ কৰা উচিত নহয়। আজি কালি আমি দেখিবলৈ পাই আছো যে পৃথিৱীৰ অধিকাংশ লোক ধৰ্মৰ পৰা দুৰলৈ আতঁৰি পৰিছে, যাৰ বাবে তেওঁলোকৰ ভাল, বেয়াৰ মাপকাঠিও পৰিৱৰ্ত্তন হবলৈ লৈছে।। উদাহৰণ স্বৰূপে আজিৰ যুগত আমি দেখিবলৈ পাই আছো যে স্বাধীনতা আৰু ফেচনৰ নামত পুৰুষ মহিলাৰ মাজত নগ্নতা অতি সাধাৰণ হৈ পৰিছে। নিৰ্লজ্বতাই মানুহৰ উন্নতিৰ প্ৰতীক হৈ পৰিছে। লাজ, চৰম বোলা বস্তু নোহোৱা হৈ পৰিছে আৰু দেখা দেখিকৈ ইয়াৰ প্ৰভাৱ আমালোকৰ ল’ৰা-ছোৱালীৰ ওপৰত পৰিবলৈ লৈছে। কিছুমান ছোৱালীয়ে গাভৰুলৈ উঠি আহোতেই মোলৈ লিখে যে; ইছলামত পৰ্দাৰ প্ৰতি কিয় ইমান গুৰুত্ব দিছে ? আমি কিয় জিনচ্ হাফ-পেণ্ট আৰু ব্লাউজ পিন্ধি বোৰকা নোহোৱাকৈ বাহিৰলৈ বুলি ওলাব নোৱাৰো ? আমি কিয় ইয়াত ইউৰোপিয়ান ছোৱালী সকলৰ দৰে পোছাক পৰিধান কৰিব নোৱাৰো ? প্ৰথমেই আমি এই কথা মনত ৰাখিব লাগিব যে যদি আমি ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত থাকিব বিচাৰো তেন্তে আমি দ্বীনি শিক্ষাৰ ওপৰত আমল কৰিব লাগিব। যদি আমি পৰিচয় দিব বিচাৰো যে আমি মুছলমান আৰু নিজৰ ধৰ্ম পালন কৰি আছো তেন্তে ইয়াৰ বাধা নিষেধ মানি চলাৰ প্ৰয়োজন আছে। আল্লাহ তায়লা আৰু ৰছুল (ছাঃ) ৰ আদেশৰ ওপৰত আমল কৰাৰ প্ৰয়োজন অছে। আঁহজৰত (ছাঃ) য়ে কৈছে যে; লাজ হ’ল ঈমানৰ অংশ। গতিকে লাজ আবৃত পোছাক আৰু পৰ্দা আমালোকৰ ঈমান ৰক্ষাৰ্থে প্ৰয়োজনীয়। যদি উন্নত দেশ বোৰৰ বাসিন্দা সকলে স্বাধীনতা আৰু উন্নত হোৱাৰ নামত নিজৰ লাজ-চৰম শেষ কৰি আছে তেন্তে তাৰ মূল কাৰণ হ’ল তেওঁলোকে ধৰ্মৰ পৰা দুৰলৈ আতঁৰি পৰিছে। গতিকে এজনী আহমদী ছোৱালী যিয়ে হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈছে তাই এইটো প্ৰতিশ্ৰুতিত আৱদ্ধ

হৈছে যে; ‘‘মই ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিম।’’ যি জন পুৰুষ মহিলাই হজৰত মছিহ মাওউদ (আঃ) ক মান্য কৰিছে, তেওঁ ধৰ্মক জাগতিক বিষয় আদিৰ ওপৰত প্ৰাধান্য দিয়াৰ শপত লৈছে আৰু এই প্ৰাধান্য দিয়াটো তেতিয়াহে বাস্ত বায়িত হ’ব যেতিয়া তেওঁ ধৰ্মীয় শিক্ষা অনুসৰি নিজৰ আমল আৰু কাৰ্য্য সম্পাদন কৰিব। হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত নিৰ্লজ্বতা আৰু বেপৰ্দাই সম্পৰ্কে উল্লেখ কৰিছে যে; ইউৰোপৰ দৰে বেপৰ্দাৰ পিনে মানুহ আগুৱাই গৈ আছে কিন্তু এয়া কেতিয়াও যুক্তিযুক্ত নহয়। এইটোৱে নাৰী স্বাধীনতাক প্ৰৱঞ্চনা কৰাৰ মূল। যিবোৰ দেশ সমুহত এনে ধৰণৰ স্বাধীনতা জাৰি ৰাখিছে, তেওঁলোকৰ চাৰিত্ৰিক অৱস্থা অলপ গমি চাওঁক। যদি তেওঁলোকৰ স্বাধীনতা আৰু নগ্নতাৰ পৰা মান সম্ভ্ৰম আৰু পৱিত্ৰতা বৃদ্ধি পাইছে তেন্তে আমি মানি লম যে আমাৰেই ভূল হৈ আছে। কিন্তু এই কথা স্পষ্ট যে পুৰুষ মহিলা দুয়ো ডেকা, গাভৰু আৰু তাত আছে নগ্নতা তেন্তে তেওঁলোকৰ সম্পৰ্ক কেনে ধৰণৰ বিপদজ্বনক হ’ব পাৰে। কুদৃষ্টি আৰু প্ৰবৃত্তিৰ হাতত পৰাজয় বৰণ কৰাটো মাণবীয় বৈশিষ্ট। আকৌ যি অৱস্থাত পৰ্দাৰ ক্ষেত্ৰত অমনযোগী হৈ পৰে আৰু প্ৰৱঞ্চনাৰ বলি হৈ পৰে তেনে অৱস্থাত স্বাধীনতাৰ নামত কি নহব পাৰে? পুৰুষ সকললৈ লক্ষ্য কৰা, চোৱা তেওঁলোকৰ অৱস্থা কেনে লেকাম নোহোৱা ঘোঁৰাৰ দৰে হৈ গৈছে। সিহঁতৰ নে আছে খোদাৰ প্ৰতি ভয় আৰু নে আছে আখেৰাতৰ প্ৰতি বিশ্বাস। পাৰ্থিব ভোগ বিলাদক মাবোদ বনাই লৈছে। গতিকে সৰ্ব-প্ৰথমে পুৰুষ চৰিত্ৰটোক শুদ্ধ আৰু সংশোধন কৰি লব লাগিব আৰু পুৰুষ সকলৰ মাজত কমপক্ষে এনেকুৱা এটা শক্তিৰ উদ্ৰেক হ’ব লাগিব যে যাতে এওঁলোকে নিজৰ কুপ্ৰবৃত্তিৰ আক্ৰমনৰ বলি নহয়, তেতিয়াহে প্ৰশ্ন আহিব পাৰে যে পৰ্দা কৰাটো জৰুৰী হয়নে নহয়। বৰ্তমান অৱস্থাত স্বাধীনতাৰ নামত নগ্নতাৰ ওপৰত জোৰ দিয়া মানে হ’ল এনেকুৱা যে বাঘৰ সন্মুখত ছাগলী ৰাখি থৈ দিয়া। মানুহৰ আচলতে কি হ’ল, তেওঁলোকে কিয় কোনো কথাৰ ফলাফললৈ চিন্তা নকৰা হ’ল? কমপক্ষে নিজৰ চেতনা বোধেৰে গমি চাব লাগে যে পুৰুষ সকলৰ অৱস্থা তেনেকুৱা শুদ্ধ, সংশোধীত আছেনে যে মহিলা সকলক বেপৰ্দা অৱস্থাত তেওঁলোকৰ সন্মুখত ৰাখিব পৰা যাব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি কালি সমাজত যি বেয়াৰ পাদুৰ্ভাৱ আমি দেখিবলৈ পাইছো, এইবোৰে হজৰত মছিহ মাওউদ (আঃ) ৰ প্ৰত্যেক শব্দৰ সত্যায়ন কৰি আছে। গতিকে প্ৰত্যেক আহমদী ল’ৰা ছোৱালী আৰু পুৰুষ মহিলাই নিজৰ লাজ-লাজুকীয়তাৰ মান উন্নত কৰি সমাজৰ পঙ্কিলতাৰ হাত-সাৰিবলৈ চেষ্টা কৰা উচিত। বিশেষকৈ মাক-দেউতাকৰ দায়িত্ব হ’ল নিজৰ ল’ৰা-ছোৱালীক সৰুৰে পৰাই ইছলামী শিক্ষা আৰু সমাজৰ পঙ্কিলতা, আৱৰ্জনা সম্পৰ্কে জ্ঞাত কৰোৱা তেতিয়াহে ভৱিষ্যত প্ৰজন্মই ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত থাকিব আৰু উন্নত সমাজ ব্যাৱস্থাৰ যি বিষ ক্ৰিয়া তাৰ পৰা নিৰাপদ থাকিব পাৰিব। এজনী ছোৱালীয়ে কেইদিনমান আগত মোলৈ পত্ৰ লিখিছে যে; মই বহুতখিনি লিখা পঢ়া কৰিছো আৰু মই বেংকত ভাল এটা কাম পোৱাৰ আশা আছে। মই সুধিব বিচাৰো যে যদি তাত মূৰত উৰুণি লোৱা আৰু পৰ্দা কৰাৰ ক্ষেত্ৰত প্ৰতিবন্দকতা আহে নাইবা কোট আদিও পিন্ধিব পৰা নাযায় তেন্তে মই মূৰত উৰুণি নোলোৱাকৈ কাম কৰিব পাৰিম নে? কাম এৰি যেতিয়া বাহিৰলৈ ওলালে মূৰত উৰুণি লম। তাই লিখিছে যে মই শুনিছো যে আপুনি কৈছে যে কাম কৰা (চাকৰি) ছোৱালীয়ে নিজৰ কাম কৰা ঠাইত বোৰকা অথবা উৰুণি সোলোকাই নিজৰ ডিউটি পৰিচালনা কৰিব পাৰে। উক্ত ছোৱালী জনী কমপক্ষে ইখিনি সৌভাগ্যশীল যে লগতে লিখিছে যদি আপুনি মানা কৰে তেন্তে এই কাম মই নকৰো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এয়া কেৱল এজনী ছোৱালীৰ প্ৰশ্ন নহয়। উল্লেখ কৰে যে ডক্টৰ সকলৰো মাজে সময়ে বাধ্যবাদকতা আহি যায় যে প্ৰচলিত বোৰকা পৰিধান কৰি কাম কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে যেনেকৈ অপাৰেচন কৰাৰ সময়ত। কিন্তু তাত তেওঁলোকৰ পোছাক এনেধৰণৰ থাকে যে মূৰতো টুপি পৰিধান কৰিব লাগে, মাকচ আৰু ঢিলা পোছাক থাকে। ইয়াৰ বাহিৰেও ডক্টৰ সকলে পৰ্দাৰ মাজত কাম কৰিব পাৰে। যেনেকৈ ৰাবোৱাত মই ডক্টৰ ফেহমিদাক সদায় পৰ্দাত থকা দেখিবলৈ পাইছো। ডক্টৰ নুচৰত জাহাঁ আছিল তাইও ঠিক ঠাক পৰ্দা কৰিছিল।

এনেদৰে মই ৰিচাৰ্ছ কৰি থকা ছোৱালী সকলক কৈছিলো যে; লেৱৰেটৰীৰ বিশেষ পোছাক পৰিধান কৰিব

লগা হয় সেয়ে তাত তেওঁলোকে সেই পোছাক পিন্ধিব পাৰে আৰু উৰুণি হয়তো নললেও চলে কাৰণ লেৱৰেটৰীতো মূৰত টুপি পিন্ধিব লাগে। কিন্তি বাহিৰলৈ ওলাই আহিলে পৰ্দা কৰা উচিত যাৰ আদেশ ইছলামে প্ৰদান কৰিছে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে; বেংকৰ চাকৰি সাধাৰণতে এনেকুৱা চাকৰি নহয় যে তাৰ দ্বাৰা মানৱ সেৱাৰ কাম হয়। গতিকে সাধাৰণ চাকৰিৰ বাবে উৰুণি (হিজাব) সোলোকাই কাম কৰাৰ অনুমতি দিব পৰা নাযায়। অৰ্থাৎ চাকৰিটো এনেকুৱা যে ছোৱালী সকলে প্ৰত্যেক দিন পিন্ধা পোছাক পিন্ধিব আৰু মেক-আপত থাকিব আৰু তাত কোনো বিশেষ পোছাক পিন্ধিব নোৱাৰিব। গতিকে সদায় মনত ৰখা উচিত যে লাজ সন্মানৰ বাবে সন্মানীয় লাজ আবৃত পোছাকৰ প্ৰয়োজন। পৰ্দা হ'ল প্ৰচলিত পদ্ধতিত সন্মান জনক পোছাকৰ অংশ। যদি পৰ্দাৰ ক্ষেত্ৰত কোনো ধৰণৰ ৰেহাই দিয়া হয় তেন্তে আকৌ সন্মান জনক পোছাকৰ ওপৰতো আপত্তি উঠিব আৰু পৰিবৰ্তন বা সাল-সলনিৰ জন্ম দিব। এনেদৰে সমাজত ৰংচঙ বাঢ়ি যাব, য'ত প্ৰথমৰে পৰাই নিৰ্লজ্জতা বাঢ়ি গৈ আছে। জগতখন প্ৰথমৰে পৰাই এই কথাৰ ওপৰত চেষ্টা চলাই আহিছে যে; সেই লোক সকলক যি সকলে নিজৰ ধৰ্মীয় শিক্ষা অনুসৰি চলে বিশেষকৈ মুছলমান সকলক কেনেকৈ ধৰ্মৰ পৰা দুৰলৈ ঠেলি পঠোৱা যায়।

ইছলাম বিৰুধী শক্তি সমুহে প্ৰৱল চেষ্টা চলাইছে যে কেনেকৈ ধৰ্মীয় শিক্ষা আৰু ৰীতি-নীতি মুছলমান সকলৰ মাজৰ পৰা শেষ কৰিব পৰা যায়। এই লোক সকলে ধৰ্মীয় স্বাধীনতা, ব্যক্তি স্বাধীনতাৰ নামত শেষ কৰিবলৈ এনেকুৱা কৌশল অৱলম্বন কৰি আছে যাতে তেওঁলোকক দোষাৰোপ কৰিব পৰা নাযায় যে তেওঁলোকে জোৰ পুৰ্বক ধৰ্ম নষ্ট কৰিব বিচাৰিছে। গতিকে আমি দোৱা কৰিব লাগিব যে আল্লাহ তায়লা যেন এই চয়তানি চক্ৰান্ত প্ৰতিহত কৰাৰ শক্তি আমালোকক দান কৰে আৰু আমাক সহায় কৰে যেন। যদি আমি সত্যৰ ওপৰত প্ৰতিষ্ঠিত আছো তেন্তে নিশ্চয় আমি কৃতকাৰ্যতা লাভ কৰিম। ইছলামী শিক্ষাই পৃথিৱীত জয়লাভ কৰিব।

ইছলাম পৃথিৱীত চিৰস্থায়ী হিচাপে থাকিবৰ বাবে আৰু কোৰ'আনৰ শিক্ষা কিয়ামত পৰ্যন্ত থাকিবলৈ আমি ইয়াৰ শিক্ষাৰ ওপৰত আমল কৰিবলৈ চেষ্টা কৰা উচিত। লগতে আমি বেলেগক ক'ব লাগিব যে তোমালোকে যিবোৰ কথা কৈছে সেয়া আল্লাহ তায়লাৰ ইচ্ছাৰ বিৰুদ্ধ আৰু ধংসৰ ফালে টানি লৈ যাওঁতা। ইছলাম এনেকুৱা ধৰ্ম নহয়, যিটোৱে মানুহক ভুল প্ৰতিবন্ধকতাৰে আগুৰি ৰাখে। বৰং প্ৰয়োজন অনুসৰি নিজৰ শিক্ষাৰ মাজত কোমলতাও সন্নিবিষ্ট কৰিছে। আমি আহমদী সকলে মনত ৰাখিব লাগিব যে উক্ত যুগ অতিকৈ বিপদজনক যুগ। চয়তানে চাৰিওফালৰ পৰা তীব্ৰ আক্ৰমন চলাই আছে। যদি মুছলমান সকলে আৰু বিশেষকৈ আহমদী পুৰুষ, মহিলা, ডেকা আদি সকলোৱে ধৰ্মীয় নীতি নিয়ম প্ৰতিষ্ঠিত ৰখাৰ বাবে চেষ্টা নকৰে তেন্তে আমাৰ ভৱিষ্যত ল'ৰা-ছোৱালী সকলৰ জামিন হবলৈ কোনেও নাই। আমি আল্লাহ তায়লাৰ হাতত অইনতকৈ কঠোৰ ভাৱে ধৃত হ'ব লাগিব কাৰণ আমি সত্যক চিনি পাইছো আৰু হজৰত মছিহ মাওউদ (আঃ) য়ে আমালোকক সত্যৰ সৈতে চিনাকী কৰিছে। গতিকে যদি আমি নিজকে নিজে ধংসৰ গ্ৰাসৰ পৰা ৰক্ষা কৰিব বিচাৰো তেন্তে প্ৰত্যেক ইছলামী শিক্ষাৰ সৈতে সংলগ্ন হৈ পৃথিৱীত থকাৰ প্ৰয়োজন আছে। এয়া ভাবিব নালাগে যে উন্নত দেশ সমুহৰ সৈতে খোজ মিলাই চলিলেহে আমাৰ কল্যাণ হ'ব। তেওঁলোকৰ উন্নতিয়ে চৰম শিখৰলৈ আৰোহণ কৰিছে। এতিয়া তেওঁলোকৰ যি আচৰণ, সেই আচৰণে অনতি পলমেই তেওঁলোকক পতনৰ পিনে টানি লৈ যাব আৰু তাৰ চিহ্ন প্ৰকাশ পাবলৈ লৈছে। আল্লাহ তায়লাৰ অসন্তুষ্টিয়ে সেই আহ্বান জনাই আছে আৰু সিহঁতৰ ধংস সিহঁতে মাতি আছে। গতিকে এনেকুৱা মূহুৰ্তত আমি মানবীয় সহানুভূতিৰ মাজেৰে তেওঁলোকক সঠিক পথ দেখুৱাৰ চেষ্টা কৰিব লাগিব। যদি তেওঁলোকৰ সংশোধন নহয় তেন্তে এই ধৰ্মৰ পৰা আঁতৰি যোৱাটোয়ে বহুত সমস্যা কঢ়িয়াই আনিব। গতিকে বিশেষকৈ আমালোকে আৰু ডেকা সকলে আল্লাহ তায়লাৰ শিক্ষাৰ বিষয়ে চিন্তা কৰাৰ অতি প্ৰয়োজন আছে। পৃথিৱীৰ পৰিবেশত প্ৰভাৱিত হৈ তাক অনুসৰণ কৰাৰ সলনি পৃথিৱীক নিজৰ পিছত চলোৱাৰ চেষ্টা কৰিব লাগিব। মই যেনেকৈ পৰ্দা আৰু পোছাক পৰিচ্ছদ সম্পৰ্কে কবলৈ আৰম্ভ কৰিছিলো সেয়া এই বিষয়ে বৰ সন্তাপেৰে কব বিচাৰো যে; কিছুমান লোকে কয় যে; ইছলাম আৰু আহমদীয়তৰ উন্নতিৰ বাবে কেৱল পৰ্দা জৰুৰী বস্তু নে ? কোনোবাই কয় যে এই শিক্ষা এতিয়া পুৰণি হৈ গৈছে। আমি পৃথিৱীত প্ৰতিযোগীতাত বৰ্তি থাকিবলৈ হলে এই কথাবোৰ এৰি দিব লাগিব। (নাউজুবিল্লহ) কিন্তু এনেকুৱা লোক সকলে স্পষ্ট বুজি লওঁক যে যদি দুনীয়াদাৰক অনুসৰণ কৰি থাকে আৰু তেওঁলোকৰ দৰে জীৱন যাপন কৰে তেন্তে

নিজে এদিন দুনীয়াদাৰীত ডুব যাব লাগিব। নমাজ কেৱল প্ৰদৰ্শিত হিচাপত থাকি যাব। ধৰ্মীয় আমল, নেকি আদি নাম মাত্ৰ থাকিব আৰু লাহে-লাহে এয়াও শেষ হৈ যাব।

গতিকে আল্লাহ তায়লাৰ কোনো আদেশেই সাধাৰণ বুলি ভাৱিব নালাগে। এয়া বৰ ভয়ানক বিষয়। ইছলামৰ উন্নতিৰ বাবে প্ৰত্যেক সেই বস্তু জৰুৰী যি খোদা তায়লা আৰু তাৰ ৰছুলে (ছাঃ) য়ে আদেশ দিছে। পৰ্দাৰ গুৰুত্ব কেৱল মহিলাৰ বাবেই নহয় বৰং পুৰুষ, মহিলা দুয়োৰে বাবে প্ৰয়োজ্য। আল্লাহ তায়লা প্ৰথমে পুৰুষ সকলক পৰ্দাৰ পদ্ধতিৰ বিষয়ে কৈছে। আল্লাহ তায়লা কৈছে;

قُلْ لِّلْمُؤْمِنِيْنَ يَغُضُّوْا مِنْ اَبْصَارِهِمْ وَيَحْفَظُوْا فُرُوْجَهُمْ ؕ ذٰلِكَ اَزْكٰى لَهُمْ ؕ اِنَّ اللّٰهَ خَبِيْرٌۢ بِمَا يَصْنَعُوْنَ

অৰ্থাৎঃ- মোমিন সকলক জনাই দিয়া যে নিজৰ দৃষ্টি তলমুৱাকৈ ৰখা আৰু নিজৰ লজ্জাস্থানৰ হিফাজত কৰা। এই কথাখিনি সিহঁতৰ বাবে বেছি পৰিত্ৰতাৰ কাৰক। নিশ্চয় আল্লাহ তায়লা সিহঁতৰ কাৰ্য্য সম্পৰ্কে সদায় সৰ্বজ্ঞ।

আল্লাহ তায়লা মোমিন সকলক কৈছে যে তলমুৱা পৱিত্ৰ দৃষ্টিৰে চোৱা। কাৰণ কি ? কাৰণ হ'ল ذٰلِكَ اَزْكٰى لَهُمْ। এই কথা খিনি পৱিত্ৰতাৰ বাবে প্ৰয়োজনীয়। যদি পৱিত্ৰতা নাই তেন্তে আল্লাহ তায়লাক পাব নোৱাৰা। গতিকে মহিলাৰ পৰ্দা সম্পৰ্কে কোৱাৰ আগতে পুৰুষ সকলক কৈছে যে প্ৰত্যেক সেই বস্তু যিবোৰলৈ তোমালোকৰ প্ৰবৃত্তি আবেগিক হৈ পৰে তাৰ পৰা দুৰত থাকা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে কোনো আহমদী ছোৱালী বা মহিলাই কোনো ল'ৰাৰ কোনো ধৰণৰ উপলব্দিৰ চিকাৰ হ'ব নালাগে। পুৰুষ সকলক আদেশ দিয়াৰ পিছতেই মহিলা সকলক আদেশ দিছে যে তোমালোকেও নিজৰ দৃষ্টি তলমুৱাকৈ ৰখা আৰু পৰ্দা কেনেকৈ কৰিব লাগে, কাৰ-কাৰ আগত পৰ্দা কৰিব লাগে বৰ্ণনা কৰিছে। যদি তোমালোকে এইবোৰ কথাৰ ওপৰত আমল কৰা তেন্তে কৃতকাৰ্যতা লাভ কৰিবা।

হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত উল্লেখ কৰিছে যে; আজি কালি পৰ্দাৰ ওপৰত আক্ৰমন চলোৱা হৈছে। কিন্তু এই লোক সকলে নেজানে যে ইছলামী পৰ্দা মানে জেল খানা নহয় বৰং এক ধৰণৰ প্ৰতিবন্ধক মাত্ৰ যে সম্বন্ধহীন পুৰুষ, মহিলাই যেন এজনে আনজনক দেখিবলৈ নাপায়। যেতিয়া পৰ্দা থাকিব তেতিয়া অনুভুতিৰ হেঁচাৰ পৰা ৰক্ষা পৰিবা।

যাৰ সন্মুখত নিজৰ সৌন্দৰ্য্য প্ৰকাশ কৰাৰ নিৰ্দেশ আছে। এই বিষয়েও বৰ্ণনা আছে যেনে; ভাই, ভনী, স্বামি, মা, দেউতা, নিজৰ সন্তান, আদিৰ সন্মুখত পৰ্দাৰ প্ৰয়োজন নহয়। এনে ধৰণে সকলো সম্পৰ্কৰ বিষয়ে আল্লাহ তায়লা কোৰ'আন কৰিমত বৰ্ণনা কৰিছে। সেই বুলি ইয়াৰ অৰ্থ এয়া নহয় যে নিজৰ ঘৰত হাফপেণ্ট, ব্লাউজ পিন্ধি ঘুৰিব পাৰিব। এনে পোছাক সম্পৰ্কীয় জনৰ আগত পিন্ধাও নিষেধ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আৰু এটা কথা মই মুৰব্বী আৰু তেওঁলোকৰ পত্নী সকলক কব বিচাৰো যে তেওঁলোকেও নিজৰ পোছাক আৰু দৃষ্টিৰ ক্ষেত্ৰত অতিকৈ সতৰ্কতা অৱলম্বন কৰিব। জমাত তেওঁলোকৰ আদৰ্শৰ প্ৰতি লক্ষ্য কৰে। মুৰব্বীৰ পত্নিও মুৰব্বী হয়। এওঁলোকেও প্ৰত্যেক ক্ষেত্ৰত উচ্চ দৃষ্টান্ত স্থাপন কৰিব লাগিব। আল্লাহ তায়লা যেন আমালোকৰ পুৰুষ মহিলা সকলক লাজ-সন্মানৰ উচ্চ দৃষ্টান্ত স্থাপন কাৰী বনায়। ইছলামৰ সকলো আদেশ নিষেধ সকলো প্ৰকাৰে যেন আমি মান্যকাৰী হ'ব পাৰো। (আমিন) ☆☆☆ ☆......

**Assamess Khulasa Khutba Jumma Huzoor Anwar 13th January 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**